# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 01-OCT-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

জনতাৰ প্ৰিয় শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনা সন্দৰ্ভত যোৱানিশা এছ্ আই টিয়ে গ্ৰেপ্তাৰ কৰা অভিযুক্ত শ্যামকানু মহন্ত আৰু শিল্পীজনৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাক আজি পুৱা মুখ্য ন্যায়িক দণ্ডাধীশৰ সন্মুখত হাজিৰ কৰোৱা হয়। দণ্ডাধীশে দুয়োকে ১৪ দিনৰ বাবে আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰে। উল্লেখযোগ্য যে আজি আদালত বন্ধ থকা হেতুকে অভিযুক্ত দুজনক মুখ্য ন্যায়িক দণ্ডাধীশৰ বাসভৱনত হাজিৰ কৰোৱা হয়।

জনপ্ৰিয় শিল্পীগৰাকীৰ ছিংগাপুৰত আচহুৱা পৰিস্থিতিত মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে অসম চৰকাৰে গঠন কৰা এছ্ আই টিয়ে চি আই ডিৰ কাৰ্যালয়ত ইতিমধ্যে এই ঘটনাৰ কেইবাগৰাকী প্ৰত্যক্ষদৰ্শীক জেৰা কৰিছে। ছিংগাপুৰলৈ শিল্পীগৰাকীৰ সৈতে যোৱা সহশিল্পী অমৃতপ্ৰভা মহন্ত, বাদ্যযন্ত্ৰী শেখৰজ্যোতি গোস্বামী, আৰক্ষী বিষয়া সন্দীপন গাৰ্গ আৰু ব্যৱসায়ী সঞ্জীৱ নাৰায়ণক শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনাৰ সন্দৰ্ভত ইতিমধ্যে সোধা-পোছা কৰা হৈছে। এই বিষয়ত চৰজমিন তদন্ত কৰিবলৈ অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ এটা দল শীঘ্ৰেই ছিংগাপুৰলৈ যাব বুলি এছ্ আই টিক নেতৃত্ব দিয়া শীৰ্ষ আৰক্ষী বিষয়া মুন্না প্ৰসাদ গুপ্তাই জানিবলৈ দিছে।

ইপিনে শিল্পীগৰাকীৰ গৃহনগৰী যোৰহাটত আজি ৰাজহুৱা আদ্যশ্ৰাদ্ধ আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। যোৰহাট ষ্টেডিয়ামত আয়োজন কৰা এই অনুষ্ঠানত সৰ্বধৰ্ম প্ৰাৰ্থনা, গায়ন-বায়ন, দিহানাম ইত্যাদি পৰিৱেশনেৰে জনতাৰ শিল্পীগৰাকীলৈ শেষ শ্ৰদ্ধা জনোৱা হয়। অগণন গুণমুগ্ধই পৰিয়ালৰ উপস্থিতিত এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। গুণমুগ্ধৰ ভিৰৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ সময় নিশা ৮ বজালৈ বৃদ্ধি কৰিছে। অনুষ্ঠানত অংশগ্ৰহণ কৰি অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ গ্ৰেপ্তাৰ সন্দৰ্ভত শিল্পীগৰাকীৰ পত্নী গৰিমা শইকীয়া গাৰ্গে এনেদৰে কয়।

**বাইট (গৰিমা গাৰ্গ)**

ooooo

শাৰদীয় দুৰ্গাপূজাৰ আজি মহা নৱমীত দেৱীক সিদ্ধিদাত্ৰী ৰূপত পূজা-অৰ্চনা কৰা হয়। দেৱীৰ এই ৰূপে আধ্যাত্মিক জ্ঞান আৰু মহৎ শক্তিক প্ৰতিফলিত কৰে।

জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ বিয়োগত ৰাজ্যজুৰি সৃষ্টি হোৱা শোকাকুল পৰিস্থিতিৰ মাজতে পৰম্পৰা ৰক্ষা কৰি জনসাধাৰণে মহিষ মৰ্দিনীৰ আৰাধনা কৰিছে। ৰাজ্যৰ প্ৰতিখন পূজা মণ্ডপতে শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে তেওঁৰ গান শুনিবলৈ পোৱা গৈছে। গুৱাহাটী, লখিমপুৰ, বিজনীৰ দৰে ভালেসংখ্যক চহৰত শিল্পীগৰাকীৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি মণ্ডপসমূহ সজাই-পৰাই তোলা হৈছে । গুৱাহাটী আৰু আন আন চহৰৰ বহুতো পূজা সমিতিয়ে এইবাৰ শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই আড়ম্বৰপূৰ্ণ সাংস্কৃতিক অনুষ্ঠানসমূহ বাতিল কৰিছে।

শক্তিপীঠ কামাখ্যা ধাম, বেলশৰৰ বিল্বেশ্বৰ দেৱালয়কে ধৰি প্ৰাচীন দেৱালয়সমূহত নৱৰাত্ৰিৰ প্ৰথম দিনাৰে পৰা যথাবিহিত ৰীতি-নীতিৰে দেৱী দুৰ্গাৰ পূজা-অৰ্চনা কৰা হৈছে। আজি বিভিন্ন স্থানত কুমাৰী পূজা সম্পন্ন হয়। মাৰ্কণ্ডেয় মুনিৰ আশ্ৰমখ্যাত উত্তৰ গুৱাহাটীৰ দীৰ্ঘেশ্বৰী দেৱালয়ত ভক্তসকলে বৈদিক পৰম্পৰাৰে দেৱীক আৰাধনাৰ লগতে পূজা-অৰ্চনা কৰিছে। কামৰূপ জিলাৰ বিভিন্ন অঞ্চলৰ প্ৰাচীন দেৱালয় আৰু অন্যান্য পূজা মণ্ডপসমূহত আজি নৱমী

পূজা পৰম্পৰাগত ৰীতি-নীতিৰে কৰা হৈছে। আজি জিলাখনৰ বেজেৰা, বাইহাটা, চাংসাৰি আৰু আমিনগাঁৱৰ বিভিন্ন পূজাস্থলীত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা উপস্থিত হৈ দুৰ্গতি নাশিনীৰ শ্ৰীচৰণত আশীষ লয়।

**শিৱসাগৰ** ঐতিহাসিক দেৱী দৌলত পুৰাতন ৰীতিৰে ২৯২ বছৰীয়া দুৰ্গা পূজা পালন কৰা হৈছে। এই দৌলৰ দুৰ্গা পূজা যুগ যুগ শান্তি আৰু সম্প্ৰীতিৰ উদাহৰণ হিচাপে পৰিগণিত হৈ আহিছে। দৌলৰ পূজাৰ নৈবদ্যৰ এটা অংশ ইছলাম ধৰ্মী দৌল্লা পৰিয়াললৈ আগবঢ়োৱা হয়। ইয়াৰ লগতে নৈবদ্যৰ আন এটা ভাগ কনচেং বৰপাত্ৰ গোহাঁই পৰিয়াললৈ আগবঢ়োৱা হয়। উল্লেখযোগ্য যে, দৌল প্ৰতিষ্ঠা কালৰে পৰা দৌল্লা পৰিয়ালে দেৱী দৌলত নেগেৰা আৰু ঢাক বজাই আহিছিল। কালক্ৰমত এই পৰম্পৰা লোপ পাই যদিও পৰিয়াটোলৈ ভোগৰ ভাগ আগবঢ়োৱাৰ পৰম্পৰা অব্যাহত থাকে। দৌল্লা পৰিয়ালৰ ঢাক আৰু ভোগলাভৰ পৰম্পৰাৰ বিতং বিৱৰণৰ সৈতে এয়া পৰিয়ালটোৰ সদস্য আম্না দৌল্লা।

**ধেমাজি** জিলাৰ চিলাখুটিৰ ঐতিহাসিক শ্ৰীশ্ৰীতাম্ৰেশ্বৰী আই থানতো পৰম্পৰাগত ৰীতি-নীতিৰে আধ্যাত্মিকভাৱে দুৰ্গা পূজা অনুষ্ঠিত হৈছে।

**লখিমপুৰ** জিলাৰ ঢকুৱাখনাত অৱস্থিত শ্ৰীশ্ৰীঈশ্বৰী হাৰ্হি দেৱালয়ৰ দুৰ্গা পূজাই এইবেলি ৩০৩ বছৰত ভৰি দিলে। মহা নৱমী উপলক্ষে এই দেৱালয়ত আজি পুৱাৰে পৰা ভক্তৰ সমাগত পৰিলক্ষিত হয়।

**বৰাক** উপত্যকাৰ জিলাকেইখনতো শাৰদীয় দুৰ্গাপূজাৰ মহা নৱমী উপলক্ষে আজি পৱিত্ৰ পৰিৱেশে বিৰাজ কৰিছে। শিলচৰৰ ঐতিহ্যমণ্ডিত ৰামকৃষ্ণ মিছন সেৱাশ্ৰমত কালি পুৱাৰেপৰা অগণন ভক্তৰ সমাগম হয়। অৱশ্যে কালি ধুমুহা-বৰষুণৰ ফলত কাচাৰ জিলাৰ কেইবাখনো পূজা মণ্ডপৰ ক্ষতি হোৱা বুলি আমাৰ সংবাদদাতাই জনাইছে।

**বাক্সা** জিলাৰ ৰূপহীত আজি পুৱাৰে পৰা ৭৩ সংখ্যক ৰূপহী আঞ্চলিক সাৰ্বজনীন শ্ৰীশ্ৰীমা দুৰ্গা পূজা মহোৎসৱৰ মহা নৱমী পূজা কৰা হয়।

অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ মৃত্যুত শোকাকুল হৈ **গোৱালপাৰা** জিলাৰ প্ৰতিখন পূজা সমিতিয়েও জাক-জমকতা পৰিহাৰ কৰি আধ্যাত্মিকতাৰ মাজেৰে কেৱল বৈদিক ৰীতি নীতিৰে পূজা অৰ্চনা কৰা দেখা গৈছে।

দৰঙী কোচ ৰাজবংশৰ **মঙলদৈৰ** ৰজা হাউলীত ৪০৯ বছৰীয়া ঐতিহ্য আৰু পৰম্পৰাৰে কালি মহাষ্টমীত মুখমণ্ডলত ৰঙা ৰং বোলোৱা দুৰ্গাদেৱীৰ ৰণচণ্ডী ৰূপৰ বলি-বিধানেৰে পূজা-অৰ্চনা কৰা হয়।

ooooo

কেন্দ্ৰীয় মন্ত্ৰীসভাই ৭১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কলিয়াবৰ-নুমলীগড় অংশৰ সম্প্ৰসাৰণ কৰি চাৰিলেনলৈ উন্নীত কৰাৰ বাবে অনুমোদন জনাইছে। মুঠ ৬ হাজাৰ ৯৫৭ কোটি টকা ব্যয়ৰে এই ৮৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱা সম্প্ৰসাৰণ কৰা হ'ব। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ মাজেৰে যোৱা এই পথছোৱা নিৰ্মাণৰ ক্ষেত্ৰত বন্যপ্ৰাণী অনুকূল ব্যৱস্থা ৰূপায়ণ কৰা হ'ব। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা কাৰ্বি আংলঙৰ পাৰ্বত্য অঞ্চললৈ ৰাষ্ট্ৰীয় ঘাইপথ অতিক্ৰম কৰি বন্যপ্ৰাণীসমূহে যাতে মুক্ত আৰু বাধাহীনভাৱে আহ-যাহ কৰিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি এই প্ৰকল্পৰ অধীনত প্ৰায় ৩৪ দশমিক ৫ কিলোমিটাৰৰ এটা এলিভেটেড কৰিডৰ নিৰ্মাণ কৰা হ'ব। ইয়াৰ ফলত ৰাজধানী মহানগৰ গুৱাহাটী, পৰ্যটনস্থলী কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ঔদ্যোগিক চহৰ নুমলীগড়ৰ মাজত প্ৰত্যক্ষ যোগাযোগ উন্নীত কৰাৰ উপৰি যাতায়াতৰ সময় হ্ৰাস পাব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ইয়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় মন্ত্ৰীসভাক কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ এই প্ৰকল্পক এটা মুখ্য আন্তঃগাঁথনি প্ৰকল্প বুলি উল্লেখ কৰি কয়, যে এই প্ৰকল্পই অসমৰ যোগাযোগ ব্যৱস্থাক এটা নতুন গতি প্ৰদানৰ লগতে মানুহ আৰু জীৱকুলৰ সহাৱস্থানৰ এটা নতুন দিশো মুকলি কৰিব।

ooooo

সমাপ্ত